# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-03-2025
**Time :** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

১। মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱসৰ মুখ্য অতিথিৰূপে উপস্থিত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হয়।

২। ৰাজ্যসভাত আজি ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কত বিতৰ্ক অব্যাহত আছে।

৩। সংসদত আজি **তৈলক্ষেত্ৰ নিয়ন্ত্ৰণ আৰু উন্নয়ন সংশোধনী বিধেয়ক ২০২৪** গৃহীত হয়।

৪। অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মিক্সড ডাবলছ যুটী ৰোহন কাপুৰ আৰু ৰুথৱিকা গাদ্দেই প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগৰ এলিমিনেটৰ খেলখনত কাইলৈ মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মৰিচাচৰ শ্বা দে মাৰ্চত আয়োজিত ৰাষ্ট্ৰীয় দিৱস উদ্‌যাপন কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানতে মৰিচাচৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গখুলে শ্ৰীমোদীক ভাৰত-মৰিচাচ অংশীদাৰিত্বৰ ক্ষেত্ৰত তেওঁৰ অনবদ্য অৱদানৰ বাবে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান Grand Commander of the Order of the Star and Key of the Indian Ocean-G.C.S.K. প্ৰদান কৰে। উল্লেখযোগ্য যে, মৰিচাচৰ সৰ্বোচ্চ অসামৰিক সন্মান G.C.S.K. লাভ কৰা প্ৰধানমন্ত্ৰী মোদীয়েই হৈছে প্ৰথমগৰাকী ভাৰতীয়। মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীৰ কুছকাৱাজত ভাৰতীয় নৌসেনাৰ এটি দলে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মৰিচাচৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামে দুয়োদেশৰ মাজত থকা দ্বিপাক্ষিক অংশীদাৰিত্ব সন্দৰ্ভত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজত থকা কৌশলগত অংশীদাৰিত্ব আগুৱাই নিয়াৰ ক্ষেত্ৰত আলোচনা কৰে। মৰিচাচৰ ৰাষ্ট্ৰীয় সদনত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী দুগৰাকীয়ে ২০ টাকৈ উচ্চ প্ৰভাৱশালী সামুহিক উন্নয়ন প্ৰকল্প আৰু এটা ভাৰতৰ সহযোগিতাৰে নিৰ্মীত স্থানীয় স্বাস্থ্য কেন্দ্ৰ ডিজিটেল ব্যৱস্থাৰে মুকলি কৰে। তদুপৰি বিত্তীয় অপৰাধ প্ৰতিৰোধ, লোকসেৱা সামৰ্থ বৃদ্ধি, সামুদ্ৰিক সুৰক্ষা আৰু স্থানীয় মুদ্ৰা বিনিময় সম্পৰ্কীয় ৮ খনকৈ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। লগতে নেতা দুগৰাকীয়ে অটল বিহাৰী বাজপেয়ী লোকসেৱা আৰু উদ্ভাৱন প্ৰতিষ্ঠানটো মুকলি কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাচৰ পবিত্ৰ গংগা তালাও দৰ্শন কৰি প্ৰাৰ্থনা কৰাৰ লগতে প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাৰ ত্ৰিবেনী সংগমৰ পৰা লৈ যোৱা পবিত্ৰ জলো তালাওত অৰ্পন কৰে। আজি ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচী সমাপন কৰি শ্ৰীমোদীয়ে মৰিচাচৰ দুদিনীয়া ভ্ৰমণ সামৰি স্বদেশলৈ উভতনি যাত্ৰা কৰিছে।

০০০০০

ৰাজ্যসভাত আজি ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কত বিতৰ্ক অব্যাহত আছে। বিতৰ্ক আৰম্ভ কৰি বিজেপিৰ সমিক ভট্টাচাৰ্যই কয়, যে ভাৰতীয় ৰে'লক বিশ্বমানৰ কৰি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু সেইবাবেই ৰে'ল শিতানত অভিলেখ পৰিমাণৰ পুঁজি আৱণ্টন কৰা হৈছে। তেওঁ কয় যে ভাৰতীয় ৰে'লক গতিসম্পন্ন, পাৰদৰ্শী আৰু যাত্ৰী অনুকুল কৰাৰ ক্ষেত্ৰত বন্দে ভাৰত আৰু অমৃত ভাৰত শ্ৰেণীৰ ৰে'লগাড়ীসমূহে নতুন যুগৰ সূচনা কৰিছে। বিতৰ্কত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ অনিল কুমাৰ যাদৱ মান্দাদিয়ে দেশত ৰে'ল সেৱাৰ বিকাশ, সম্প্ৰসাৰণ আৰু যাত্ৰী সুবিধা বৃদ্ধিৰ ক্ষেত্ৰত পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনত লোৱা ব্যৱস্থাৱলীৰ বিষয়ে উল্লেখ কৰে আৰু ৰে'ল বিভাগৰ বিভিন্ন খালী পদত নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে বিশেষ একো কৰা নাই বুলি অভিযোগ কৰে। দি এম কেৰ এন আৰ ইলাংগোই ৰে'ল বিভাগে নতুন নিযুক্তিৰ ক্ষেত্ৰত মনোনিবেশ কৰা উচিত বুলি মন্তব্য কৰে আৰু ৰে'ল দুৰ্ঘটনা প্ৰতিৰোধ কৰিব নোৱৰা বুলি চৰকাৰৰ সমালোচনা কৰে। ৱাই এছ আৰ কংগ্ৰেছৰ অযোধ্যা ৰামি ৰেদ্দীয়ে বৰ্তমান চৰকাৰৰ শাসনকালত ৰে'ল বিভাগ সঠিক পথেৰে আগবাঢ়িছে বুলি মন্তব্য কৰে। তেওঁ বিভিন্ন ৰে'ল প্ৰকল্প নিৰ্মাণৰ কাম খৰতকীয়া কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। জনতা দল ইউনাইটেডৰ সঞ্জয় কুমাৰ ঝাই মহাকুম্ভ মেলাৰ সময়ত ৰে'ল বিভাগে আগবঢ়োৱা সেৱাৰ প্ৰশংসা কৰে। আম আদমী পাৰ্টীৰ সঞ্জয় সিং, জনতা দল চেকুলাৰৰ এইচ দি দেৱেগৌড়া, তৃণমূল কংগ্ৰেছৰ দোলা সেন, আৰ জে দিৰ সঞ্জয় য়াদৱ, আৰু সমাজবাদী পাৰ্টীৰ ৰামজী লাল সুমনেও বিতৰ্কত অংশগ্ৰহণ কৰে আৰু ৰে'ল বিভাগক অধিক কৰ্মপটু কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

ৰাজ্যসভাত আজি ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কত বিতৰ্ক অব্যাহত আছে। বিতৰ্ক আৰম্ভ কৰি বিজেপিৰ সমিক ভট্টাচাৰ্যই কয়, যে ভাৰতীয় ৰে'লক বিশ্বমানৰ কৰি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু সেইবাবেই ৰে'ল শিতানত অভিলেখ পৰিমাণৰ পুঁজি আৱণ্টন কৰা হৈছে। তেওঁ কয় যে ভাৰতীয় ৰে'লক গতিসম্পন্ন, পাৰদৰ্শী আৰু যাত্ৰী অনুকুল কৰাৰ ক্ষেত্ৰত বন্দে ভাৰত আৰু অমৃত ভাৰত শ্ৰেণীৰ ৰে'লগাড়ীসমূহে নতুন যুগৰ সূচনা কৰিছে। বিতৰ্কত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ অনিল কুমাৰ যাদৱ মান্দাদিয়ে দেশত ৰে'ল সেৱাৰ বিকাশ, সম্প্ৰসাৰণ আৰু যাত্ৰী সুবিধা বৃদ্ধিৰ ক্ষেত্ৰত পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনত লোৱা ব্যৱস্থাৱলীৰ বিষয়ে উল্লেখ কৰে আৰু ৰে'ল বিভাগৰ বিভিন্ন খালী পদত নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে বিশেষ একো কৰা নাই বুলি অভিযোগ কৰে। দি এম কেৰ এন আৰ ইলাংগোই ৰে'ল বিভাগে নতুন নিযুক্তিৰ ক্ষেত্ৰত মনোনিবেশ কৰা উচিত বুলি মন্তব্য কৰে আৰু ৰে'ল দুৰ্ঘটনা প্ৰতিৰোধ কৰিব নোৱৰা বুলি চৰকাৰৰ সমালোচনা কৰে। ৱাই এছ আৰ কংগ্ৰেছৰ অযোধ্যা ৰামি ৰেদ্দীয়ে বৰ্তমান চৰকাৰৰ শাসনকালত ৰে'ল বিভাগ সঠিক পথেৰে আগবাঢ়িছে বুলি মন্তব্য কৰে। তেওঁ বিভিন্ন ৰে'ল প্ৰকল্প নিৰ্মাণৰ কাম খৰতকীয়া কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। জনতা দল ইউনাইটেডৰ সঞ্জয় কুমাৰ ঝাই মহাকুম্ভ মেলাৰ সময়ত ৰে'ল বিভাগে আগবঢ়োৱা সেৱাৰ প্ৰশংসা কৰে। আম আদমী পাৰ্টীৰ সঞ্জয় সিং, জনতা দল চেকুলাৰৰ এইচ দি দেৱেগৌড়া, তৃণমূল কংগ্ৰেছৰ দোলা সেন, আৰ জে দিৰ সঞ্জয় য়াদৱ, আৰু সমাজবাদী পাৰ্টীৰ ৰামজী লাল সুমনেও বিতৰ্কত অংশগ্ৰহণ কৰে আৰু ৰে'ল বিভাগক অধিক কৰ্মপটু কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সামগ্ৰিক তথা দীৰ্ঘস্থায়ী উন্নয়নৰ স্বাৰ্থত সমাজৰ বঞ্চিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। চণ্ডীগড়ৰ পাঞ্জাব বিশ্ববিদ্যালয়ৰ ৭২ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অধ্যক্ষতা কৰি আজি তেওঁ এইদৰে মত প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংবেদনশীলতাৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি প্ৰেমৰ মনোভাৱ থকা উচিত। শিক্ষাৰ্থীসকলক

অভিনন্দন জনোৱাৰ লগতে তেওঁলোকক ইতিবাচক মনোভাৱ পোষণ কৰি ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ প্ৰযুক্তিৰ অগ্ৰগতিৰ সৈতে নিজকে খাপ খুৱাই আগবাঢ়িবলৈ শ্ৰীমতী মুৰ্মুৱে পৰামৰ্শ দিয়ে। আজিৰ সমাৱৰ্তন অনুষ্ঠানত হাৰিয়ানাৰ ৰাজ্যপাল বন্দাৰু দত্তাত্ৰেয়, পাঞ্জাবৰ ৰাজ্যপাল বানোৱাৰী লাল পুৰোহিত আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়েব সিং চাইনীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় যোগাযোগ ৰাজ্যমন্ত্ৰী পেম্মাচনী চন্দ্ৰশেখৰে দেশৰ ৭৭৬ খন জিলাৰ ৭৭৩ খনতেই 5G সেৱা উপলব্ধ হোৱা বুলি জানিবলৈ দিছে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত 5G সেৱাৰ সুচল পৰিচালনাৰ বাবে চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। টেলিকম সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহে ইতিমধ্যে ৪ লাখ ৭০ হাজাৰৰো অধিক 5G বেইচ ট্ৰান্সিভাৰ কেন্দ্ৰ স্থাপন কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

সংসদত আজি **তৈলক্ষেত্ৰ নিয়ন্ত্ৰণ আৰু উন্নয়ন সংশোধনী বিধেয়ক ২০২৪** গৃহীত হয়। আজি লোকসভাই এই বিধেয়কখনক অনুমোদন জনোৱাৰ লগে লগে উভয় সদনৰ অনুমোদন লাভ কৰি বিধেয়কখন গৃহীত হয়। **তৈলক্ষেত্ৰ নিয়ন্ত্ৰণ আৰু উন্নয়ন সংশোধনী আইন ১৯৪৮** ৰ সংশোধনৰ বাবে এই বিধেয়কখন উত্থাপিত হৈছিল। বিধেয়কখনৰ যোগে প্ৰাকৃতিকভাৱে প্ৰাপ্ত হাইড্ৰকাৰ্বন, ক'ল বেড মিথেন আৰু শ্বেল গেছক খনিজ তেলৰ সংজ্ঞাৰ আওতালৈ অনা হৈছে। ইয়াৰ লগতে কয়লা, লিগনাইট বা হিলিয়ামক খনিজ তেলৰূপে স্বীকৃতি নিদিয়াৰ কথাও স্পষ্ট কৰা হৈছে। বিধেয়কখন সম্পৰ্কে হোৱা আলোচনাত কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয়, যে শক্তি সুৰক্ষা সন্দৰ্ভত দেশৰ দীৰ্ঘম্যাদি কৌশল ব্যয়সাধ্য, উপলভ্যতা আৰু বহনক্ষমতা - এই তিনিওটা কাৰকৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে আৰু দেশে এই তিনিওটা দিশ সফলতাৰে পৰিচালনা কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে দেশে বৰ্তমান ৪০ খন ৰাষ্ট্ৰৰ পৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ আমদানি কৰে বুলিও জানিবলৈ দিয়ে। কংগ্ৰেছৰ মনিষ তিৱাৰীয়ে আলোচনাত অংশ লৈ প্ৰাকৃতিক গেছ আমদানি হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। সমাজবাদী পাৰ্টিৰ ৰাম শংকৰ ৰাজভাৰে ইন্ধনৰ ক্ৰমবৰ্ধিত মূল্য সন্দৰ্ভত চিন্তা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে সংহত আৰু প্ৰযুক্তিচালিত পদ্ধতিৰে গংগা নদীক অধিক পৰিষ্কাৰ আৰু বহনক্ষম কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোঁহাৰে। আজি নতুন দিল্লীত গংগা সংৰক্ষণৰ ক্ষেত্ৰত গঠিত শক্তিশালী কৰ্মবাহিনীৰ চতুৰ্দশ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীপাটিলে প্ৰকল্পসমূহৰ নিৰ্ধাৰিত সময়ৰ ভিতৰতে ৰূপায়ণ, কঠোৰ প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থা আৰু আন্তঃমন্ত্ৰালয় সমন্বয় বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আজিৰ বৈঠকত বিভিন্ন মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰ সমূহৰ গুৰুত্বপূৰ্ণ অংশীদাৰসকলে অংশগ্ৰহণ কৰে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে, যে চুবুৰীয়া ৰাষ্ট্ৰসমূহক দুৰ্যোগৰ সময়ত সহায় আগবঢ়োৱাত ভাৰত সদায়েই আগৰণুৱা। আজি নতুন দিল্লীত মাদাগাস্কাৰৰ ৰাষ্ট্ৰীয় সদনৰ অধ্যক্ষ জাষ্টিন ট'কেলিৰ নেতৃত্বত অহা এটা সংসদীয় প্ৰতিনিধি দলৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকত শ্ৰীবিৰলাই এইদৰে প্ৰকাশ কৰে। আমাৰ দেশে মাদাগাস্কাৰক বিশেষ আৰু নিৰ্ভৰযোগ্য মিত্ৰৰূপে গণ্য কৰে বুলিও শ্ৰীবিৰলাই উল্লেখ কৰে।

ooooo

বাৰ্মিংহামত আয়োজিত অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মিক্সড ডাবলছ যুটী ৰোহন কাপুৰ আৰু ৰুথৱিকা গাদ্দেই প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে প্ৰাৰম্ভিক ৰাউণ্ডত আজি চাইনীজ টাইপেয়ীৰ য়ে হং ৱেই আৰু নিক'ল গঞ্জালেজ চানৰ যুটীটোক ২১-১০, ১৭-২১, ২৪-২২ ফলাফলত পৰাস্ত কৰে। আনটো ভাৰতীয় মিক্সড ডাবলছ যুটী ধ্ৰুৱ কপিলা আৰু তনিশা ক্ৰাষ্টোই আজি নিশাৰ ভাগলৈ তেওঁলোকৰ প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছ শাখাত দুবাৰকৈ অলিম্পিক পদক বিজেতা পি ভি সিন্ধুৱে আজি প্ৰথম ৰাউণ্ডত দক্ষিণ কোৰিয়াৰ কিং গা য়ুনৰ বিৰুদ্ধে খেলিব। ত্ৰিশা জল্লি আৰু গায়ত্ৰী গোপীচান্দৰ ভাৰতীয় মহিলা যুটীটোৱে চাইনীজ টাইপেয়ীৰ চুং চুঅ য়ুন আৰু য়ু ছেইন হুইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনটো ভাৰতীয় মহিলা যুটী প্ৰিয়া কংজেংবাম আৰু শ্ৰুতি মিশ্ৰাই দক্ষিণ কোৰিয়াৰ বেক হানা আৰু লী চো হিৰ যুটীটোৰ বিৰুদ্ধে খেলিব। ভাৰতীয় তাৰকা পুৰুষৰ ডাবলছ যুটী সাত্বিক সাইৰাজ ৰণকী ৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱেও আজি নিশা তেওঁলোকৰ প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। ভাৰতৰ লক্ষ্য সেন আৰু মালবিকা বান্সোৰে ইতিমধ্যে কালি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলত জয়ী হৈ ক্ৰমে পুৰুষ আৰু মহিলাৰ ছিংগলছ শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এলিমিনেটৰ খেলখনত কাইলৈ মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত খেলখন কাইলৈ সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। পইণ্ট তালিকাৰ শীৰ্ষত থকা দেলহী কেপিটেলছে ইতিমধ্যে ফাইনেলত প্ৰৱেশ কৰিছে। তালিকাৰ দ্বিতীয় স্থানৰ মুম্বাই ইণ্ডিয়ানছ আৰু তৃতীয় স্থানত থকা গুজৰাট জায়েণ্টছে কাইলৈ এলিমিনেটৰ খেলখনৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব। অহা ১৫ মাৰ্চত একেই ষ্টেডিয়ামতে মহিলা প্ৰিমিয়াৰ লীগৰ ফাইনেল খেলখন খেলোৱা হ'ব।

ooooo

সমাপ্ত